# ঢকুৱাখনা ঃ এটি চমু আলোকপাত

## ১.১ মেপ




## ১.২ ঢকুৱাখনাৰ ভৌগোলিক অৱস্থান

ঢকুৱাখনা ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ পাৰত অৱস্থিত এটা অঞ্চল। লখিমপুৰ জিলাৰ পুব প্ৰান্তৰ ব্ৰহ্মপুত্ৰ নদ আৰু ইয়াৰ উপনৈ সোৱণশিৰিৰ মাজৰ অংশত অৱস্থিত সৰ্বমুঠ ৪৮.২৮ কিলোমিটাৰ দীঘল আৰু ২৪.১৪ কিলোমিটাৰ বহল ভূখণ্ডই হ'ল ঢকুৱাখনা। ব্ৰহ্মপুত্ৰ নদীৰ উপনৈ সোৱণশিৰি, কচ়া, চাৰিকড়ীয়া, চামপৰা, দাংধৰা, শিঙৰা জান, ঢকুৱাখনা জান, খামনজান, খাৰজান, একড়ীয়া ইত্যাদি এই অঞ্চলৰে অন্তৰ্ভূক্ত। এই অঞ্চলটো ২৭.৬° - ২৭.৩৫° উত্তৰ অক্ষাংশ আৰু ৯৪.২৪ - ৯৪.৪২° পুব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। ঢকুৱাখনা সাগৰ পৃষ্ঠৰপৰা ৩০০ - ৩৪৯ ফুট উচ্চতাত অৱস্থিত।

## ১.৩ ঢকুৱাখনাৰ চাৰিসীমা

| | | |
|---|---|---|
| পুব | ঃ | মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ধেমাজি জিলা। |
| পশ্চিম | ঃ | সোৱণশিৰি আৰু উত্তৰ লখিমপুৰ মহকুমা। |
| উত্তৰ | ঃ | ধেমাজি জিলা। |
| দক্ষিণ | ঃ | ব্ৰহ্মপুত্ৰ নদী আৰু মাজুলী। |

## ১.৪ ঢকুৱাখনাৰ জনগাঁথনি

২০১১ চনৰ লোকপিয়ল অনুসৰি

মাটিকালি ঃ ৬৯৫.৯ বৰ্গকিলোমিটাৰ

ঢকুৱাখনা মহকুমাত দুটা ৰাজহ চক্ৰ আছে।

(ক) ঢকুৱাখনা ৰাজহ চক্ৰ।

(খ) সোৱণশিৰি ৰাজহ চক্ৰ।

| | | |
|---|---|---|
| ঢকুৱাখনা মহকুমাৰ মুঠ জনসংখ্যা | ঃ | ১৮৮৯৩৩ |
| পুৰুষ | ঃ | ৯৫৮০৩জন |
| মহিলা | ঃ | ৯৩১৩০গৰাকী |
| ঢকুৱাখনা ৰাজহ চক্ৰৰ মুঠ জনসংখ্যা | ঃ | ১১৪০৯৫ |
| পুৰুষ | ঃ | ৫৭৭৯০জন |
| মহিলা | ঃ | ৫৬৩০৫গৰাকী |
| সোৱণশিৰি ৰাজহ চক্ৰৰ মুঠ জনসংখ্যা | ঃ | ৭৪৮৩৮ |
| পুৰুষ | ঃ | ৩৮০১৩জন |
| মহিলা | ঃ | ৩৬৮২৫গৰাকী |

ৰাজহ গাঁও ঃ

| | | |
|---|---|---|
| (ক) ঢকুৱাখনা ৰাজহ চক্ৰত ৰাজহ গাঁও | ঃ | ১৬৭খন |
| জৰীপ নোহোৱা গাঁও | ঃ | ৩৯খন |
| (খ) ঘিলামৰা ৰাজহ চক্ৰত ৰাজহ গাঁও | ঃ | ৭৪খন |
| জৰীপ নোহোৱা গাও | ঃ | ৪০খন |

## ১.৫ জলবায়ু আৰু পৰিৱেশ

ঢকুৱাখনাৰ জলাবায়ু সম্পূৰ্ণ সেমেকা। কৃষিকাৰ্যৰ বাবে সেয়ে এই অঞ্চল বৰ উপযোগী। খৰালি এই অঞ্চলটো প্ৰায় শুকান হয়। ইয়াৰ জলীয় আৰ্দ্ৰতা প্ৰায় ৮০$^{\circ}$ - ৯৫$^{\circ}$। এই অঞ্চলৰ ঠাণ্ডা দিনৰ উষ্ণতা ৮$^{\circ}$-২৫$^{\circ}$ চেলছিয়াছ। গ্ৰীষ্মকালত এই অঞ্চলৰ উষ্ণতা হয় ২৩$^{\circ}$-৩৮$^{\circ}$ চেলছিয়াছ। সৰ্বোচ্চ তাপমাত্ৰা জুন মাহৰপৰা ছেপ্টেম্বৰ মাহলৈকে দেখা যায়। এই অঞ্চলৰ বৰষুণৰ পৰিমাণ প্ৰায় ২২৫৫ মিলিমিটাৰ ২২৮২ মিলিমিটাৰ। ঢকুৱাখনাৰ কৃষিভূমি সামান্য আম্লিক (PH 6-6.5) ।

বিহংগম দৃষ্টিত আকাশমাৰ্গৰপৰা ঢকুৱাখনাক এখন সেউজীয়াৰ আৱৰণে আৱৰি ৰখা যেন দেখা যায়। বিভিন্ন প্ৰজাতিৰ বৃহৎ উদ্ভিদ, অৰ্কিড, ডুবি-বিল-খাল-বিল-দলনিৰ নানাধৰণৰ জলজ উদ্ভিদৰ বাবে এই অঞ্চলটো সাধাৰণতে সেউজীয়া হৈ থাকে।

# ঢকুৱাখনাৰ পৰিবেশ আৰু জৈৱ-বৈচিত্ৰ্য

**ভূগোল ঃ-**

| | |
|---|---|
| ভৌগলিকভাৱে ঢকুৱাখনাৰ অৱস্থিতি হৈছে– | $37^0$-6 ৰ পৰা $27^0$-36 উত্তৰ |
| | $94^0$-24 ৰ পৰা $94^0$-42 পূৱ |
| সাগৰ পৃষ্ঠৰ পৰা উচ্চতা | 90 মিটাৰ। |
| উষ্ণতাৰ মাত্ৰা | $8^0$ ৰ পৰা $38^0$ চেলিচিয়াছ। |
| বাৰ্ষিক বৰষুণৰ গড় পৰিমাণ | 2200 মিঃমিঃ। |
| জলবায়ু | নাতিশীতোষ্ণ (জাৰ + জহ) |

৬টা ঋতু— গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত পৰিলক্ষিত হয়।

**ভূ-প্ৰকৃতি ঃ-**

হিমালয়ৰ নামনিত সমতলভূমি অৱস্থিত হোৱাৰ বাবে ঢকুৱাখনা অঞ্চলতো টৰাই অঞ্চলৰ অন্তৰ্গত। দক্ষিণ-পশ্চিম মৌচুমী বতাহজাকৰ বাবে বৰষুণ প্ৰচুৰ। সেই অনুসৰি উদ্ভিদৰ চিৰসেউজ আৰু পৰ্ণপাটী দুয়োবিধেই আছে। ভূমিভাগ উত্তৰৰ পৰা দক্ষিণলৈ সামান্য হেলনীয়া আৰু বিস্তীৰ্ণ সমতল ভূমি। বৃষ্টি-প্ৰধান আৰু সমতল ভূমি হোৱাৰ বাবে ঢকুৱাখনাত আছে নদী, বিল, পুখুৰী, জান, ডোবা, হোলা আদিৰ ৰূপত প্ৰচুৰ জলাশয় আৰু ঘাঁহ-বন, বিৰিণা-কহুঁৱা, খাগৰী, ইকৰা, বাঁহনি আদিৰ ৰূপত বিস্তাৰিত তৃণভূমি। জলাশয়ৰ প্ৰাচুৰ্য্যৰ বাবে দেখা যায় দল, এৰালি, মেটেকা, পুনি, শিঙৰি, ভেট, পদুম আদিৰ প্ৰাচুৰ্য্য। ইয়াৰ সেউজ আৱৰণ 33%তকৈ বহু ওপৰত। অঞ্চলটোৰ বুজন আকাৰৰ বিল প্ৰায় 37 খন।

**জৈৱ বৈচিত্ৰ্য ঃ-**

ঢকুৱাখনাৰ ভূগোল আৰু ভূ-প্ৰকৃতিৰ বৈশিষ্ট্যই এই কথা প্ৰতীয়মান কৰে যে অঞ্চলটোৰ পৰিবেশগত প্ৰধান বিশেষত্ব হৈছে উচ্চ জৈৱ-বৈচিত্ৰ্য। বিবিধ প্ৰাকৃতিক বাসস্থান (habitate diversity) হৈছে জৈৱ বৈচিত্ৰ্যৰ মূল সূচক। সেই অনুসৰি আছে বিস্তাৰিত ঘাঁহনি, এজাৰনি, বাঁহনি, নলনি, জোপোহানি হাবি, কাঠনি হাবি ইত্যাদি। এনেদৰে বাসস্থান বৈচিত্ৰ্যৰ বাবে বিভিন্ন ক্ষুদ্ৰ পৰিবেশ সৃষ্টি হোৱাৰ বাবে অৱধাৰিতভাৱে সেইবিলাক হৈ পৰে বিবিধ প্ৰজাতি (জীৱ = প্ৰাণী + উদ্ভিদ)ৰ নিজস্ব আৱাসস্থলী। এনে কাৰণতে 40/50ৰ দশকত অঞ্চলটোত বন্যপ্ৰাণীৰ স্থিতি আছিল একোখন ৰাষ্ট্ৰীয় উদ্যানৰ দৰে। বৰ্তমানৰ দিনবোৰত ১ম শাৰীৰ সূচক হিচাপে অভিহিত মেৰুদণ্ডী প্ৰাণীসমূহৰ পৰিসংখ্যা (অসম্পূৰ্ণ) এনেধৰণৰ—

| | |
|---|---|
| স্তন্যপায়ী | - 25 |
| পক্ষী | - 210 |
| মাছ | - 140 |
| সৰীসৃপ | - 30 |
| উভচৰ | - 18 |

তেনেদৰে উদ্ভিদৰ প্ৰজাতিৰ সংখ্যা 500-600ৰ আশে-পাশে। পতংগৰ সংখ্যা কেইহাজাৰোমান (অনিৰ্দ্ধাৰিত)।

অঞ্চলটোৰ পক্ষীৰ প্ৰাচুৰ্যৰ বাবে 1996 ত বৰদৈবাম বিলমুখক অসমৰ দ্বিতীয়খন পক্ষী উদ্যান হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পৰিসৰ 1124.78 হেক্টৰ। ইয়াত আছে দুটা পক্ষী নিৰীক্ষণ স্তম্ভ। বিশ্বজুৰি বিপদাপন্ন প্ৰজাতি **পাতি শগুণ,** বৰটোকোলা আৰু বৰশৰালিয়ে বাহ পাতি বংশবৃদ্ধি ঘটোৱা স্থান ঢকুৱাখনা। তেনেদৰে দুষ্প্ৰাপ্য প্ৰজাতিৰ শিহু, কাছ, গৰুৱা মাছ, কুৰুৱা, উকহ আদিবোৰ অঞ্চলটোৰ বাসিন্দা। ভাৰতৰ প্ৰাণী প্ৰসিদ্ধ অঞ্চল (IBA)ৰ তালিকাত এই অঞ্চলৰ পৰা আছে দুখন ঠাই। বৰদৈবাম বিলমুখ পক্ষী অভয়াৰণ্য আৰু কোৱাবাৰী দলনি।

**পৰম্পৰা (জৈৱ বৈচিত্ৰ্য নিৰ্ভৰ) ঃ-**

উচ্চ জৈৱবৈচিত্ৰ্যৰ উপাদানবোৰক সমল হিচাপে ব্যৱহাৰ কৰি অঞ্চলটোৰ চহা (গাঁৱলীয়া/গ্ৰাম্য) জীৱনৰ জীৱন-জীৱিকা আৰু জীৱন-যাত্ৰাত অতীজৰে পৰা চলি অহা কিছুমান পৰম্পৰা বেচ প্ৰভাৱশালী। জনস্বাস্থ্যৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ আহিছে বনদৰৱ, গাঁৱলীয়া ঔষধ অথবা বেজালি। প্ৰধানকৈ চৰকাৰী অৱহেলা আৰু অশিক্ষাৰ বাবে ই বহু পৰিমাণে বিকৃত আৰু ব্যৱসায়সৰ্বস্ব হৈ পৰিছে। হ'লেও উপাদাসমূহ থাউকতে প্ৰকৃতি বা জৈৱ বৈচিত্ৰ্যৰ পৰা পোৱা যায় বাবে ই চলিয়েই আছে। তেনেদৰে পৰম্পৰাগত খাদ্য তালিকাত আছে শতবিধ শাক-পাত-আলু-ঠাৰি-শিপা-কণ্ডাল ইত্যাদি। প্ৰাপ্তিস্থান হৈছে সেই জৈৱবৈচিত্ৰ্য। প্ৰ'টিন আৰু এমিন' এচিডৰ উৎস মাছ অঞ্চলটোৰ এক প্ৰথম শাৰীৰ খাদ্য উপাদান। জলাশয়ত উভৈনদী হৈ থকা এই মাছ পৰম্পৰাগত এক সৰল (বিজ্ঞানসন্মত) পদ্ধতিৰে সংগ্ৰহ আৰু বিনিময় অথবা বজাৰজাত কৰাৰ এক সু-সংগত আৰু দীৰ্ঘ পৰম্পৰা অঞ্চলটোত বিৰাজমান। ৰাজ্যৰ চহা জীৱনৰ প্ৰত্যেকটো বাৰ্ষিক কৃষিকৰ্মৰ সমাপ্তি, আৰম্ভণি আৰু বিৰতিৰ সময়ত প্ৰচলিত থকা 3-টা বিহু ঢকুৱাখনাটো বেচ প্ৰভাৱশালী। অঞ্চলটোৰ উচ্চ জৈৱবৈচিত্ৰ্যৰ বাবে ই ৰাজ্যখনৰ ভিতৰতে অন্যতম প্ৰকট ৰূপত দেখা যায়। 101 প্ৰকাৰৰ বনশাক খনৰ কথাও প্ৰণিধানযোগ্য। বছৰটোৰ ৩টা সময়ত প্ৰকৃতি বা জৈৱবৈচিত্ৰ্যৰ যি ৰূপ সেই অনুসৰি 3-টা বিহুৰো সেই 3 ৰূপ। সাধুকথা (বুঢ়ী আইৰ সাধু), উপকথা, কাহিনী আৰু বন্যপ্ৰাণীৰ সৈতে তাহানিৰ দিনত ককাহঁতে মুখামুখি হোৱাৰ দুঃসাহসিক বা মুখৰোচক কাহিনী আদিৰো প্ৰধান আকৰ অঞ্চলটোৰ জৈৱবৈচিত্ৰ্য।

*দেৱজিৎ ফুকন*

দূৰভাষ ঃ 9854244236